# শ্বৰীফা খাতুন চৌধুৰীৰ কবিতা

**আচৰিত ধৰণে অকলশৰীয়া ছাঁবোৰ**

আচৰিত ধৰণে অকলশৰীয়া ছাঁবোৰ
কায়াবোৰ কেনি গ'ল কোনেও নাজানে

মৰূভূমিয়ে ক্ৰমে গ্ৰাস কৰিছে হৃদয়বোৰ
শৰদেহৰ ওপৰেৰে পাৰ হৈ গৈছে
অহংকাৰ কঢ়িয়াই লৈ যোৱা
বিলাসী গাড়ীবোৰ

চকুত পোহৰ নাই
নদীত পানী নাই
পথাৰত শইচ নাই
অৰণ্যত গছ-গছনি একো নাই

তেনেহ'লে কি আছে

দুৱাৰ খিৰিকী বন্ধ ঘৰবোৰ আছে
যন্ত্ৰনাৰ কাতৰ শব্দবোৰ আছে
প্ৰেমৰ ধূসৰ মুখবোৰ আছে
অন্তহীন শৱযাত্ৰা আৰু হুমুনিয়াহ আছে
উত্তাপহীন বন্ধুত্বৰ মিথ্যা আলাপ আছে
ইত্যাদি আৰু বহুত আছে
আছে
আচৰিত ধৰণে ক্ৰমে বাঢ়ি যোৱা
অকলশৰীয়া ছাঁবোৰো আছে...

**ধোঁৱাৰ মাজেৰে উৰি যোৱা**

ধোঁৱাৰ মাজেৰে উৰি যোৱা চৰাইজাকক সোধা,
কেনেকৈ বিচাৰি যায় সিহঁতে অৰণ্য, পথাৰ
আৰু
ঠোঁটত লৈ ফুৰে কজলা দুখৰ ধান

শুকাই যোৱা নদীখনৰ বুকুত হাত থৈ সোধা,
কেনেকৈ বিচাৰি পাব
এটি জুৰিৰ কলৰৱ
শিলবোৰে পিন্ধিব পানীৰ পোছাক
জলপ্ৰপাতৰ হেৰাই যোৱা গান

নদীহীন
অৰণ্যহীন

আৱৰণহীন পাহাৰ সাৰিটি
যন্ত্ৰণাত ছটফটাই থকা পৃথিৱীক সোধা
আৰু কিমান দিন
কিমান দিন লাগিব চাহাৰা হ'বলৈ
অ'ত ত'ত সিঁচৰতি হৈ পৰি থাকিব
কেৱল অজস্ৰ কংকাল

সময়ে ক'লে, ধৈৰ্য ধৰা,
শেষ দৃশ্যপটৰ আখৰা চলিছে এতিয়া।

**হৃদয়খন খণ্ড-বিখণ্ড হ'লেও জীৱন যে এটাই**

নদীবোৰে পানীৰ বাবে হাহাঁকাৰ কৰিছে
তললৈ নামিছে সাগৰৰ জলপৃষ্ঠ
কংক্ৰিট অৰণ্যৰ মাজেৰে
জোনটোৱে বিচাৰিছে জলদাপোন এখন
লুণীয়া সৰোবৰত চৰাইবোৰে কৰিছে স্নান
মাছবোৰে অথালি পথালিকৈ সাতুৰি
চলাথ কৰিছে হেৰুৱা পানীৰ স্বাদ

প্ৰিয়তম বন্ধু মোৰ

দুহাত মেলি দিয়া আকাশলৈ
হতাশা বিষাদ যন্ত্ৰণা উটি যাওঁক বৰষুণত
চকু মুদি দিয়া
চকুৰপাহিত গজি উঠক গভীৰ অৰণ্য এখন
বুকুত দুহাত ৰাখি অনুভৱ কৰা
প্ৰত্যাশাৰে ভৰুণ জীৱন স্পন্দন
সুহৃদৰ হাতত হাত থৈ
প্ৰত্যয়ৰ  সাকোঁ এখন সাজা
চকুত চকু থৈ বুকুৰ ভিতৰলৈ জুমি চোঁৱা
প্ৰেমেৰে চপচপিয়া মুখখন তুলি ধৰা
আৰু গভীৰ আলিংগনত বন্দী কৰা
পৃথিৱী ,অৰণ্য ,মানুহ ইত্যাদি সমস্ত

হৃদয়খন খণ্ড বিখণ্ড হ'লেও জীৱনযে এটাই